# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 26-July-2026
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*
### Headlines

-------------------

১। রাজ্যৰ বান পৰিস্থিতি এতিয়াও জটিল। বানত মৃত্যুৰ সংখ্যা ৬৬ লৈ বৃদ্ধি।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ সৈতে অসমৰ বান পৰিস্থিতি সন্দৰ্ভত আলোচনা।

৩। বান ক্ষতিগ্ৰস্ত অঞ্চলৰ জনসাধাৰণৰ সুবিধাৰ বাবে পৰ্যাপ্ত ঔষধ মজুত ৰখা হৈছে বুলি স্বাস্থ্যমন্ত্ৰীৰ প্ৰকাশ।

৪। কাৰ্গিল বিজয় দিৱস উপলক্ষে দেশজুৰি বীৰ জোৱানসকলৰ প্ৰতি শ্ৰদ্ধা তৰ্পণ। মন কী বাতত প্ৰধানমন্ত্ৰীৰ সাহসী জোৱানসকললৈ শ্ৰদ্ধা নিবেদন।

**আৰু**

৫। হাৰাৰেত অনুষ্ঠিত তিনিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ অন্তিমখন খেলত জিম্বাব'ৱেক জয়ৰ বাবে ভাৰতৰ ১৯৩ ৰানৰ লক্ষ্য নিৰ্ধাৰণ।

০০০০০০০

———ৰাজ্যৰ বান পৰিস্থিতি সামান্য উন্নত হৈছে যদিও শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাট জিলাৰ ৫ শতাধিক গাঁও এতিয়াও বানৰ কবলত আছে। ৰাজ্যৰ ১০ খন জিলাৰ সৰ্বমুঠ ৮১০ খন গাঁও বানত বুৰ গৈ আছে। এইবাৰৰ বানত ৬ লাখ ৫৪ হাজাৰৰো অধিক লোক ক্ষতিৰ সন্মুখীন হৈছে। বানৰ ফলত কালি আৰু ৪ জন লোকে প্ৰাণ হেৰুৱায়। ইয়াৰে ভিতৰত শিৱসাগৰত ৩ জন আৰু চৰাইদেউত এজন লোকৰ মৃত্যু হয়। ইয়াকে লৈ ৰাজ্যত এইবাৰৰ বানত প্ৰাণ হেৰুওৱা লোকৰ সংখ্যা ৬৬ হৈছেগৈ।

বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহত উদ্ধাৰ আৰু সাহায্য অভিযান অব্যাহত আছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি টেলিফোনযোগে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ সৈতে কথা পাতি ৰাজ্যৰ বান পৰিস্থিতিৰ বিতংভাৱে বুজ লয়। শ্ৰীসোণোৱালে এই সন্দৰ্ভত কয়, যে কেন্দ্ৰীয় চৰকাৰে ৰাজ্যৰ বান পৰিস্থিতি জোৰা মৰাৰ বাবে সকলো সাহায্য আগবঢ়াব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আশ্বাস দিছে। ৰাজ্য অভূতপূৰ্ব বান পৰিস্থিতি সন্দৰ্ভত কেন্দ্ৰীয় মন্ত্ৰীসভাৰ বৈঠকতো আলোচনা হৈছে বুলি তেওঁ উল্লেখ কৰে। প্ৰধানমন্ত্ৰীৰ নিৰ্দেশমৰ্মে ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰৰ এটা আন্তঃমন্ত্ৰালয়ৰ দল ৰাজ্যত উপস্থিত হৈ ক্ষতিগ্ৰস্ত জিলাসমূহৰ দ্ৰুতগতিত পৰিস্থিতিৰ মূল্যায়ন আৰম্ভ কৰিছে বুলি শ্ৰীসোণোৱালে জানিবলৈ দিছে।

**(বাইট-সোণোৱাল)**

কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিতাই বান প্ৰভাৱিত এলেকাসমূহত ৰোগৰ প্ৰাদুৰ্ভাৱ ৰোধ কৰিবলৈ চৰকাৰে কাম কৰি আছে বুলি জানিবলৈ দিয়ে। স্বাস্থ্যমন্ত্ৰী অশোক সিংহলে আজি চৰাইদেউ জিলাৰ মাহমৰাৰ

১ নম্বৰ পৰশনি হাবি প্ৰাথমিক বিদ্যালয়ত স্থাপিত বান শিবিৰ পৰিদৰ্শন কৰে। তেওঁ শিবিৰত থকা ক্ষতিগ্ৰস্ত লোকসকলৰ সৈতে মত বিনিময় কৰি তেওঁলোকৰ অভাৱ-অভিযোগৰ বুজ লয় উল্লেখযোগ্য যে এই শিবিৰটোত ৩০৩ গৰাকী লোকে আশ্ৰয় লৈ আছে। স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে শিৱসাগৰ জিলাৰ লক্ষ্মীনগৰ বিদ্যালয়ত স্থাপন আশ্ৰয় শিবিৰ পৰিদৰ্শন কৰি লোকসকলৰ অৱস্থাৰ বুজ লয়। সাংবাদিকৰ আগত মন্ত্ৰীগৰাকীয়ে কয়, যে চৰকাৰে বান ক্ষতিগ্ৰস্ত অঞ্চলত স্বাস্থ্য শিবিৰ মুকলি কৰাৰ লগতে পৰ্যাপ্ত ঔষধ মজুত ৰাখিছে আৰু স্বাস্থ্যকৰ্মী নিয়োগ কৰিছে।

**বাইট (অশোক সিংহল)**

যোৰহাট জিলাৰ মৰিয়নিৰ হেমলাই পঞ্চায়তৰ পৰা আজি বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহত পৰিৱেশ স্বচ্ছতা আৰু অনাময় অভিযান শুভাৰম্ভ কৰা হয়। জিলাখনৰ বানৰ কৱলত পৰা পশুপালকসকলৰ পশুধনসমূহ সংক্ৰামক ৰোগৰ পৰা সুৰক্ষিত কৰাৰ উদ্দেশ্যেৰে পশুপালন আৰু পশু চিকিৎসা বিভাগে টীয়ক বিধান সভা সমষ্টিৰ বিভিন্ন প্ৰান্তত বিনামূলীয়া পশু চিকিৎসা শিবিৰৰ আয়োজন কৰে। ইয়াৰ অংশ হিচাপে ১ নং খঙীয়া প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত পশু চিকিৎসা শিবিৰত বিধায়ক বিকাশ শইকীয়া উপস্থিত থাকি শিবিৰটোৰ কাম-কাজ পৰিচালনা কৰে। জিলাখনৰ টীয়কৰ ধনতোলা আৰু টীয়ক চাহ বাগিচা অঞ্চলত খোৱাপানী বিশুদ্ধ কৰাৰ লক্ষ্যৰে কেমিকেল পেকেট বিতৰণ কৰা হয়। ডিব্ৰুগড় জিলাৰ নাহৰকটীয়া বিধানসভা সমষ্টিৰ আমগুৰি পঞ্চায়তৰ বালিগাঁও আৰু মেৰবিলত স্থানীয় বিধায়ক তৰংগ গগৈয়ে বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহ পৰিদৰ্শন কৰে। বাক্সা জিলাত বি পি এফ দলৰ নীতি নিৰ্ধায়ক সমিতিয়ে উজনিত প্ৰলয়কাৰী বানত ক্ষতিগ্ৰস্ত সকললৈ গভীৰ সমবেদনা প্ৰদৰ্শন কৰি মুখ্যমন্ত্ৰী সাহায্য পুঁজিত ৫০ লাখ টকা অনুদান আগবঢ়োৱাৰ সিদ্ধান্ত লয়। শিৱসাগৰ জিলাৰ সাম্প্ৰতিক বান পৰিস্থিতি কিছু উন্নত হৈছে। বিগত দুদিনমানত নদীসমূহৰ জলস্তৰ হ্ৰাস পোৱাত বানৰ প্ৰকোপ কিছু কমিছে যদিও ভালেমান অঞ্চল পানীৰ তলত আছে। শিৱসাগৰ নগৰৰ ষ্টেচন চাৰিআলি পথৰ লগতে জেঙনিকটীয়াৰ সৈতে সংযোগ স্থাপন কৰা এম আই বৰাপথ, যমুনা ৰোড আদি এতিয়াও পানীত বুৰ গৈ আছে।

দুৰ্যোগ সঁহাৰি বাহিনী, জিলা প্ৰশাসন, অগ্নি আৰু জৰুৰীকালীন সেৱা বাহিনী, এছ ডি আৰ এফ, আৰক্ষী তথা স্থানীয় ৰাইজে উদ্ধাৰ অভিযানত সহায় কৰিছে। প্ৰশাসনে বানপীড়িত লোকসকলক যাৱতীয় সাহায্য সামগ্ৰীৰ লগতে পশু খাদ্য যোগানৰ ব্যৱস্থা কৰিছে।

জাগীৰোডৰ সীতাজখলা দুগ্ধ উৎপাদক সমবায় সমিতিয়ে উজনি অসমৰ বান ক্ষতিগ্ৰস্ত অঞ্চলৰ লোকসকলৰ বাবে ৪ হাজাৰ ৫০০ লিটাৰ গাখীৰ প্ৰেৰণ কৰিছে। মন্ত্ৰী পীযুষ হাজৰিকাই আজি এই বাহনখনৰ যাত্ৰাৰ শুভাৰম্ভ কৰে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে কাৰ্গিল বিজয় দিৱস উপলক্ষে দেশৰ সাহসী সৈনিকসকলক স্মৰণ কৰে। তেওঁ কয়, যে কাৰ্গিল বিজয় দিৱস উদযাপন কৰাৰ বাবেই ২৬ জুলাইৰ দিনটো মনত ৰাখিবলৈ দিনপঞ্জীৰ প্ৰয়োজন নহয়। শ্ৰীমোদীয়ে কয়, যে এই দিনটোৱে সকলোৰে মন গৌৰৱৰ ভাৱনাৰে ভৰাই তোলে আৰু জনসাধাৰণক দেশৰ বীৰ সৈনিকৰ অসীম সাহসৰ বিষয়ে সোঁৱৰাই দিয়ে। ছহিদসকলৰ প্ৰতি প্ৰণিপাত জনাই প্ৰধানমন্ত্ৰীয়ে কয় যে তেওঁলোকে দেশমাতৃৰ বাবে সৰ্বোচ্চ ত্যাগ কৰি গৈছে। শ্ৰীমোদীয়ে সকলোকে ছহিদসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰিবলৈ আৰু নিৰাপদ, সামৰ্থবান আৰু আত্মনিৰ্ভৰ ভাৰত গঢ়াৰ সংকল্প সুদৃঢ় কৰিবলৈ আহ্বান জনায়। তেওঁ কয়, যে এটা যাত্ৰা-এখন ৰাষ্ট্ৰ-একেটা অভিবাদন বাৰ্তাৰে উলিওৱা এই যাত্ৰাই সকলোকে এই কথা সোঁৱৰাই দিয়ে যে ৰাষ্ট্ৰৰ বাবে কৰা ত্যাগৰ বিষয়ে কেতিয়াও পাহৰিব নোৱাৰি। দেশে অহৰহভাৱে প্ৰযুক্তিগত সামৰ্থ বৃদ্ধি কৰি আহিছে বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে অলপতে আই এন এছ মহেন্দ্ৰগিৰি নামৰ দেশতে নিৰ্মিত এখন অত্যাধুনিক যুদ্ধজাহাজ নৌসেনাত অন্তৰ্ভুক্ত কৰা হৈছে। জাহাজখনত ব্যৱহৃত ৭৫ শতাংশৰো অধিক সামগ্ৰী স্বদেশী বুলি প্ৰধানমন্ত্ৰীয়ে জানিবলৈ দিয়ে। প্ৰধানমন্ত্ৰীয়ে জাহাজখনক আত্মনিৰ্ভৰ ভাৰতৰ বৰ্ধিত শক্তিৰ

প্ৰতীক বুলি অভিহিত কৰে। প্ৰধানমন্ত্ৰীয়ে যোৱা দেওবাৰে বিক্ৰম ৱান ৰকেটৰ সফল উৎক্ষেপণক লৈও সন্তুষ্টি প্ৰকাশ কৰে।

## বাইট (পি এম)-১

প্ৰধানমন্ত্ৰীয়ে কেটচ-দ্যা ৰেইন অভিযানৰ কথা উল্লেখ কৰি কয় যে এই বিশেষ ৰাষ্ট্ৰজোৰা অভিযান ৪ জুলাইৰ পৰা চলি আছে। এই অভিযানৰ দ্বাৰা বৰষুণৰ পানী সংৰক্ষণ, ভূগৰ্ভৰ পানী পুনৰ আহৰণ, পুৰণি জলস্তৰ পুনৰ উদ্ধাৰ তথা গছপুলি ৰোপণ কাৰ্যসূচীক নতুন গতি প্ৰদান কৰা হৈছে। শ্ৰীমোদীয়ে গাঁও কিম্বা চহৰ, পঞ্চায়ত অথবা সামাজিক সংস্থাসমূহকে ধৰি সকলোতে জনসাধাৰণৰ ব্যাপক অংশগ্ৰহণকলৈ সন্তুষ্টি প্ৰকাশ কৰে। তেওঁ কয় যে কোনো কোনো অঞ্চলত পুৰণি পুখুৰীসমূহৰ পৰা বোকা আতঁৰোৱাৰ লগতে বিভিন্ন ঠাইত কুঁৱাবোৰ পুনৰুদ্ধাৰ কৰা হৈছে। মধ্যপ্ৰদেশৰ সিদ্ধি জিলাত এহেজাৰ ৫০০টা পুখুৰী খন্দা হৈছে বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে নাৰ্ছিংপুৰত অমৃত সৰোবৰ নিৰ্মাণ কৰাৰ লগতে নাছিকত পানী মজুত কৰাৰ ব্যৱস্থা গঢ়ি তোলা হৈছে। একেদৰে অন্ধ্ৰপ্ৰদেশৰ নন্দ্যালত সকলো গাঁওপঞ্চায়তে এই অভিযানত অংশ লৈ পুৰণি পুখুৰীসমূহ পুনৰ উদ্ধাৰ কৰিছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে।

## বাইট (পি এম)-২

শ্ৰীমোদীয়ে কয় যে কিছুদিন পূৰ্বে গ্লাছগোত আৰম্ভ হোৱা কমনৱেলথ গেমছত অংশগ্ৰহণ কৰা এথলিটসকলক প্ৰতিজন ভাৰতীয়ই শুভেচ্ছা জনাইছে। প্ৰতিগৰাকী খেলুৱৈয়ে সুন্দৰ প্ৰদৰ্শন কৰিব বুলি দেশবাসীয়ে আশা প্ৰকাশ কৰিছে। শেহতীয়াকৈ ক্ৰীড়া ক্ষেত্ৰত ভাৰতৰ যুৱক-যুৱতীসকলে উল্লেখনীয় সাফল্য লাভ কৰাক লৈ গৌৰৱ প্ৰকাশ কৰি শ্ৰীমোদীয়ে কয় যে পি ভি সিন্ধু হৈছে জাপান অপেনৰ খিতাপ দখল কৰা প্ৰথম গৰাকী ভাৰতীয় বেডমিণ্টন খেলুৱৈ। ভাৰতীয় মহিলা ক্ৰিকেট দলেও লণ্ডনৰ লৰ্ডছত অনুষ্ঠিত  টেষ্ট ক্ৰিকেটত জয়লাভ কৰাৰ কথা প্ৰকাশ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে  এই জয়ক ঐতিহাসিক বুলি অভিহিত কৰে।

শ্ৰীমোদীয়ে ছায়েন্স অলিম্পিয়াডৰ কথা প্ৰকাশ কৰি কয় যে এই অলিম্পিয়াডত বহু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিছে। তেওঁ লগতে কয় যে ৰাষ্ট্ৰই অহা ৭ আগষ্টত ৰাষ্ট্ৰীয় হস্ততাঁত দিৱস উদযাপন কৰিব। এই দিনটোত দেশৰ শিপিনীসকলৰ দক্ষতা আৰু সৃজনীশিলতাক উদযাপন কৰা হয় বুলি তেওঁ কয়। প্ৰধানমন্ত্ৰীগৰাকীয়ে  হস্তনিৰ্মিত সামগ্ৰীৰ ব্যৱহাৰৰ জৰিয়তে শিপিনীসকলক উৎসাহিত কৰাৰ লগতে ভকেল ফৰ লোকেল ধাৰণাক অধিক শক্তিশালী কৰি তুলিবলৈ জনসাধাৰণক আহ্বান জনাই।

মন কি বাতৰ সামৰণিত শ্ৰীমোদীয়ে অহা ১৫ আগষ্টত উদযাপন কৰিবলগীয়া স্বাধীনতা দিৱসৰ কথা উল্লেখ কৰি কয় যে এই দিনটোত দেশৰ স্বাধীনতাৰ হকে সৰ্বোচ্চ ত্যাগ কৰা সহস্ৰ বীৰক স্মৰণ কৰা হয়। তেওঁ কয় যে বিগত বছৰ সমূহত হৰ ঘৰ ত্ৰিৰংগা অভিযানে সমগ্ৰ দেশক একত্ৰিত কৰি ৰাখিছে।  তেওঁ জনসাধাৰণক ১৫ আগষ্টৰ পূৰ্বে মাই গভট তেওঁলোকৰ ন-ন ধাৰণা আৰু পৰামৰ্শসমূহ আগবঢ়াবলৈ আহ্বান জনায়।

০০০০০০০০০

১৯৯৯ চনত কাৰ্গিল যুদ্ধত প্ৰাণ আহুতি দিয়া ভাৰতীয় সৈনিকৰ  অসীম বীৰত্বৰ প্ৰতি সন্মান জনাই সমগ্ৰ দেশত আজি ২৭ সংখ্যক কাৰ্গিল বিজয় দিৱস পালন কৰা হৈছে। এই অভিযানৰ সময়ত ভাৰতীয় সশস্ত্ৰ বাহিনীসমূহে পাকিস্তানী সৈনিক আৰু সন্ত্ৰাসবাদীয়ে অনুপ্ৰৱেশ কৰা জম্মু-কাশ্মীৰৰ কাৰ্গিলৰ ভূখণ্ডক নিজৰ নিয়ন্ত্ৰণলৈ আনিছিল।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কাৰ্গিল বিজয় দিৱস উপলক্ষে দেশৰ বাবে সৰ্বোচ্চ বলিদান দিয়া সাহসী জোৱানসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীশ্বাহে কয়, যে কাৰ্গিল বিজয় দিৱস হৈছে ভাৰতীয় সেনাৰ অদম্য সাহস আৰু বীৰত্বৰ প্ৰতীক।

লোকসভাৰ অধ্যক্ষ ওম বিৰলায়ো এই দিৱস উপলক্ষে কাৰ্গিলত নিহত বীৰ জোৱানসকললৈ শ্ৰদ্ধা নিবেদন কৰে। এটা বাৰ্তাত শ্ৰীবিৰলাই কাৰ্গিল যুদ্ধৰ জোৱানসকলৰ অদম্য সাহস আৰু অটল সমৰ্পণে পৰৱৰ্তী প্ৰজন্মক অনুপ্ৰাণিত কৰি যাব বুলি উল্লেখ কৰে।

রাজ্যপাল লক্ষ্মণ প্রসাদ আচাৰ্যই কাৰ্গিল বিজয় দিৱস উপলক্ষে দীঘলীপুখুৰীৰ যুদ্ধস্মাৰকত বীৰ জোৱানসকলৰ স্মৃতিত শ্ৰদ্ধা নিবেদন কৰে। এই উপলক্ষে দিয়া ভাষণত ৰাজ্যপালগৰাকীয়ে কয়, যে কাৰ্গিল বিজয় দিৱসে ভাৰতীয় সেনা জোৱানৰ অতুলনীয় সাহস, ত্যাগ আৰু অদম্য উদ্যমকে প্ৰতিফলিত কৰে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কাৰ্গিল বিজয় দিৱস উপলক্ষে ২৭ বছৰ পূৰ্বে দেশমাতৃৰ সুৰক্ষাৰ বাবে নিজৰ প্ৰাণ আহুতি দিয়া বীৰ জোৱানসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। এই উপলক্ষে দিয়া এটা বাৰ্তাত মুখ্যমন্ত্ৰীয়ে এই দিনটোৱে কেৱল সামৰিক বিজয়ৰ স্মৃতি নহয় বৰং সেনা বাহিনীৰ অতুলনীয় সাহস, অদম্য সংকল্প আৰু সৰ্বোচ্চ ত্যাগক প্ৰতিফলিত কৰে বুলি উল্লেখ কৰে। ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি কাৰ্গিল বিজয় দিৱস উপলক্ষে ছহিদৰ স্মৃতিত শ্ৰদ্ধা নিবেদন কৰা হৈছে। কাছাৰ জিলাৰ শ্ৰীকোনাত আজি আছাম ৰাইফলছে এই দিৱস পালন কৰে। এই উপলক্ষে আয়োজিত একতাৰ দৌৰত আছাম ৰাইফলছৰ জোৱান আৰু তেওঁলোকৰ পৰিয়ালৰ সদস্যসকলে অংশগ্ৰহণ কৰে।

০০০০০০০

অধ্যাপক টাবুৰাম টাইদ সোঁৱৰণি ন্যাসে ২০২৬ বৰ্ষৰ সাহিত্য বঁটাসমূহৰ কথা ঘোষণা কৰিছে। এই অনুসৰি এইবাৰ অধ্যাপক টাবুৰাম টাইদ সাহিত্য সভা ২০২৬ৰ বাবে খাচী আৰু ইংৰাজ ভাষাৰ লেখক, কবি-উপন্যাসিক, শ্বিলঙত অৱস্থিত উত্তৰ-পূব পাৰ্বত্য বিশ্ববিদ্যালয়ৰ অধ্যাপক কিনফাম সিং নংকিন্‌ৰিহক তেখেতৰ ফিউনাৰেল নাইটচ্ নামৰ উপন্যাসখনৰ বাবে নিৰ্বাচিত কৰা হৈছে। আনহাতে, উপন্যাস সম্ৰাত ৰজনীকান্ত বৰদলৈ সমন্বয় সাহিত্য বঁটা ২০২৬ৰ বাবে প্ৰথিতযশা সাহিত্যিক, সাহিত্য একাডেমী বঁটা প্ৰাপক অনুৰাধা শৰ্মা পূজাৰীলৈ তেখেতৰ মেৰেং নামৰ উপন্যাসখনৰ বাবে এই বঁটা আগবঢ়োৱা হৈছে। ইফালে, অধ্যাপক টাবুৰাম টাইড মিচিং সাহিত্য বঁটা ২০২৬ৰ বাবে মিচিং ভাষাৰ বিশিষ্ট লেখক, অসম চৰকাৰৰ সাহিত্যিক পেঞ্চনাৰ মিগাং কালিনাথ পাংগিংদেৱলৈ তেখেতৰ মিচিং ভাষালৈ আগবঢ়োৱা অনবদ্য আৱদানৰ বাবে আগবঢ়োৱা হৈছে। আনহাতে, অধ্যাপক টাবুৰাম টাইড মিচিং অনুবাদ সাহিত্য বঁটা ২০২৬ৰ বাবে গৌৰৱময় অল আছাম মিৰি হায়াৰ ছেকেণ্ডাৰী বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ, মিচিং ভাষাৰ বিশিষ্ট লেখক বহুটো সাংস্কৃতিক কৰ্মৰাজীৰে মিচিং সংস্কৃতিলৈ উল্লেখযোগ্য বৰঙণি আগবঢ়োৱা মিগাং ইন্দ্ৰেশ্বৰ পেগুলৈ বিশ্ব কবি ৰবিন্দ্ৰ নাথ ঠাকুৰৰ গীতাঞ্জলী কাব্য গ্ৰন্থখনি মিচিং ভাষালৈ অনুবাদ কৰাৰ বাবে এই বঁটা আগবঢ়োৱা হৈছে। টাবুৰাম টাইড মেম'ৰিয়েল ট্ৰাষ্টৰ হৈ আজি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সামাজিক মাধ্যমযোগে এই বঁটাসমূহৰ কথা ঘোষণা কৰিছে।

০০০০০০০

হাৰাৰেত অনুষ্ঠিত ভাৰত আৰু জিম্বাব'ৱেৰ মাজৰ তিনিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলত ভাৰতে  জিম্বাব'ৱেক জয়ৰ বাবে ১৯৩ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। টছত জিকি প্ৰথমে বেটিং কৰি ভাৰতে নিৰ্ধাৰিত ২০ অভাৰত ৫ উইকেটৰ ১৯২ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ বৈভৱ সূৰ্যবংশীয়ে সৰ্বাধিক ৮১ ৰানৰ বৰঙণি আগবঢ়ায়।

প্ৰত্যুত্তৰত জিম্বাব'ৱেই এই বাতৰি যুগুতোৱাৰ পৰলৈ ৪ অভাৰত ৩ টা উইকেট হেৰুৱাই ৩৮ ৰান কৰি খেলি আছে।

ভাৰতে কালি একেটা স্থানত অনুষ্ঠিত দ্বিতীয়খন খেলত ঘৰুৱা দল জিম্বাব'ৱেক ৯০ ৰানত পৰাস্ত কৰি শৃংখলাত অপ্ৰতিৰোধ্য অগ্ৰগতি লাভ কৰে। উল্লেখযোগ্য যে ভাৰতে শুকুৰবাৰে অনুষ্ঠিত শৃংখলাৰ প্ৰথমখন খেলত জিম্বাব'ৱেৰ বিৰুদ্ধে ৭ উইকেটত জয়লাভ কৰিছিল।

০০০০০০০

সমাপ্ত